# বিদ্যাপতি

## ৰাধাৰ বয়ঃসন্ধি (১)

খনে খনে নয়ন কোণ অনুসৰঈ।
খনে খনে বসন ধূলি তনু ভৰঈ।।
খনে খনে দসন-ছটা ছুট হাস।
খনে খনে অধৰ আগে গহু বাস।।
চউঁকি চলএ খনে খনে চলু মন্দ।
মনমথ-পাঠ পহিল অনুবন্ধ।।
হিৰদয়-মুকুল হেৰি হেৰি থোৰ।
খনে আঁচৰ দএ খনে হোয় ভোৰ।।
বালা সৈসব তাৰুন ভেট।
লখএ ন পাৰিঅ জেঠ কনেঠ।।
বিদ্যাপতি কহ সুনু বৰ কান।
তৰুনিম সৈসৱ চিহ্নই ন জান।।

**শব্দাৰ্থ** ঃ খনে খনে=ক্ষণে ক্ষণে। নয়ন কোন অনুসৰঈ=চকুৰে (চকুৰ) কোণ অনুসৰণ কৰে অৰ্থাৎ কটাক্ষ কৰে। বসন=বস্ত্ৰ, ইয়াত আঁচল বুজাইছে। দসন-ছটা=দাঁতৰ চমঙনি। বাস=বস্ত্ৰ। চউকি=চক খাই। অনুবন্ধ=পাতনি। জেঠ কনেঠ=জ্যেষ্ঠ আৰু কনিষ্ঠ, ডাঙৰ আৰু সৰু। তৰুনিম=তাৰুণ্য, যৌৱন। চিহ্নই ন জান=চিনিব নোৱাৰি।

**প্ৰসঙ্গ** ঃ বয়ঃসন্ধিৰ (কৈশোৰ-যৌৱনৰ সন্ধিক্ষণ) লগে লগে নায়িকাৰ শৰীৰ আৰু মনত ভালেমান পৰিৱৰ্তনৰ সূচনা হয়। এই পদটিত ৰাধাৰ সখীয়েক বা দূতীয়ে বয়ঃসন্ধিৰ লগে লগে ৰাধাৰ শৰীৰ আৰু মনলৈ অহা পৰিৱৰ্তনৰ বিষয়ে শ্ৰীকৃষ্ণক অবগত কৰাইছে।

**অৰ্থ** ঃ বয়ঃসন্ধিৰ লগে লগে সেই নায়িকাই (ৰাধা) প্ৰতিক্ষণে কটাক্ষ কৰিবলৈ লৈছে। তেওঁৰ আঁচল ধূলিৰে ভৰি যায় ফলত তেওঁৰ শৰীৰ ধূলি ধূসৰিত হৈ পৰে। অৰ্থাৎ এতিয়াও তেওঁৰ গাত শৈশৱৰ স্বভাৱ আছে যাৰ কাৰণে নিজৰ আঁচললৈ বিশেষ মন-কাণ নাই, কিন্তু যেতিয়াই নিজৰ দেহলৈ আগমন হোৱা যৌৱনৰ কথা মনত পৰে তেতিয়াই লজ্জাবশতঃ সেই আঁচলখনি উঠাই নিজৰ শৰীৰটো ঢাকি লয়। ক্ষণে ক্ষণে তেওঁৰ দাঁতৰ চমকনি হাঁহিৰ লগত বিয়পি পৰে অৰ্থাৎ তেওঁ প্ৰতি মুহূৰ্তে হাঁহি থাকে আৰু লাজতে নিজৰ হাঁহি বন্ধ কৰিবৰ কাৰণে প্ৰতিক্ষণে নিজৰ ওঁঠ কাপোৰেৰে ঢাকি পেলায়; অৰ্থাৎ নিজৰ হাঁহি লুকুৱাবৰ কাৰণে মুখখনি আঁচলেৰে ঢাকি লয়। এটা ক্ষণত তেওঁ চক খাই বেগেৰে খোজ কাঢ়ে আৰু আনটো ক্ষণত ধীৰ গতিৰে যাবলৈ ধৰে। এয়া কামদেৱৰ পাঠৰ পাতনি মাত্ৰহে, অৰ্থাৎ তেওঁৰ ওপৰত কামদেৱৰ পোন প্ৰথমবাৰৰ বাবেহে প্ৰভাৱ পৰিছে যাৰ ফলত তেওঁৰ দেহত ইমানবোৰ পৰিৱৰ্তন দেখিবলৈ পোৱা

গৈছে। তেওঁ হৃদয় ৰূপী দৰ্পণত নিজৰ স্তন-যুগল এধানিমান দেখা পোৱাৰ লগে লগেই লাজতে আঁচলেৰে বুকুখন ঢাকি লয় আৰু পুলকিত হৈ পৰে। সেই বালিকাৰ শৰীৰত শৈশৱ আৰু তাৰুণ্যৰ এনে অপূৰ্ব সমাবেশ ঘটিছে যে সেই দুইৰ কোন ডাঙৰ আৰু কোন সৰু সতকাই কোৱা টান, অৰ্থাৎ পৰস্পৰে পৰস্পৰৰ ওপৰত অধিকাৰ সাব্যস্ত কৰিবলৈ উঠিপৰি লাগিছে, সেইকাৰণে তেওঁৰ স্বভাৱত কেতিয়াবা শৈশৱৰ আৰু কেতিয়াবা যৌৱনৰ খলকনি দেখিবলৈ পোৱা যায়। বিদ্যাপতিয়ে কয় যে হে শ্ৰেষ্ঠ কৃষ্ণ! শুনা, সেই নায়িকাৰ দেহত যৌৱন আৰু শৈশৱ চিনিব নোৱাৰি, কাৰণ পৰস্পৰে পৰস্পৰৰ লগত মিলি গৈছে।

## ৰাধাৰ বয়ঃসন্ধি (২)

সৈসৱ জৌৱন দৰসন ভেল।
দোহু দলবলে ধনি দন্দ পড়ি গেল।।
কবহুঁ বান্ধয়ে কচ কবহুঁ বিথাৰি।
কবহুঁ ঝাঁপয় অঙ্গ কবহুঁ উঘাৰি।।
থিৰ নয়ান অথিৰ কছু ভেল।
উৰজ-উদয়-থল লালিম দেল।।
চঞ্চল চৰণ চিত চঞ্চল ভান।
জাগল মনসিজ মুদিত নয়ান।।
বিদ্যাপতি কহ সুনু বৰ কান।
ধীৰজ ধৰহ মিলায়ব আন।।

**শব্দাৰ্থ ঃ** দোহু = দুয়োৰে—শৈশৱ আৰু যৌৱনৰ। দলেবলে=সৈন্য-বল। দন্দ=দ্বন্দ্ব। কচ=কেশ। বিথাৰি=মেলি দিয়ে। অঙ্গ=শৰীৰ, ইয়াত বক্ষস্থল বুজাইছে। উঘাৰি=অনাবৃত। উৰজ-উদয়-থল=স্তনৰ কাষৰ ঠাই। মনসিজ=কামদেৱ। কান=কৃষ্ণ। আন=আনি।

**প্ৰসঙ্গ ঃ** বয়ঃসন্ধি লাভ কৰা নায়িকাৰ (ৰাধা) দেহৰ বৈপৰীত্য অৱস্থা ৰাধাৰ সখীয়েক বা দূতীয়ে কৃষ্ণৰ আগত বৰ্ণাইছে।

**অৰ্থঃ** সেইগৰাকী নায়িকাৰ (ৰাধা) শৰীৰত শৈশৱ আৰু যৌৱনৰ কি অপূৰ্ব মিলন, যেন দুয়ো দলৰ সৈন্যৰ মাজত যুদ্ধহে চলিছে। অৰ্থাৎ ৰাধাই শৈশৱ আৰু যৌৱন উভয়ৰে অনুভূতিত উদ্বাউল হৈ উঠে। সেই কাৰণে তেওঁ কেতিয়াবা চুলি বান্ধে আৰু কেতিয়াবা খুলি দিয়ে; কেতিয়াবা বুকুখন ঢাকি লয় আৰু কেতিয়াবা উদং কৰি দিয়ে। তেওঁৰ স্থিৰ চকু হৈ পৰিছে অত্যন্ত চঞ্চল। স্তনৰ কাষৰ ঠাইডোখৰো ৰঙা হৈ পৰিছে, কাৰণ তেওঁৰ স্তনযুগল দিনে দিনে বাঢ়ি আহিবলৈ ধৰিছে। তেওঁৰ খোজবোৰ চঞ্চল হৈ পৰিছে, চিত্তটো চঞ্চলতাৰ আভাস দেখিবলৈ পোৱা গৈছে। তেওঁৰ প্ৰসন্ন নেত্ৰত কামদেৱে সাৰপাই উঠিছে

অর্থাৎ নয়নযুগল মাদকতাৰে ভৰি পৰিছে। বিদ্যাপতিয়ে কৈছে যে দূতীয়ে কৃষ্ণক এইদৰে আশ্বাস দিছে— হে শ্ৰেষ্ঠ কৃষ্ণ! তুমি ধৈৰ্য্য ধৰা। মই সেই বয়ঃসন্ধি লাভ কৰা নায়িকাক (ৰাধা) আনি দিম।

# বিদ্যাপতি আৰু ব্ৰজবুলি

ব্ৰজবুলি কাব্য-সাহিত্যৰ আলোচনা প্ৰসংগত 'মৈথিল কোকিল' বিদ্যাপতিৰ চৰ্চা হোৱা নিতান্তই আৱশ্যক। কোমল-কান্ত-পদাৱলীৰ মাধুৰ্য আৰু বৰ্ণ্য বিষয়ৰ অভিনৱত্বৰ কাৰণে বিদ্যাপতিৰ গীত-মাধুৰী এসময়ত কাব্য-ৰসিকসকলৰ মাজত বিশেষ ৰূপে সমাদৃত হৈছিল। বিশেষকৈ মিথিলা, বংগ, উৰিষ্যা, নেপাল প্ৰভৃতি ঠাইতেই যে ইয়াৰ জনপ্ৰিয়তাই উচ্চ শিখৰ লাভ কৰিবলৈ সমৰ্থ হৈছিল এনে নহয়, বহু কাব্য-সাধকৰ হৃদয়-মন জুৰি ই এক সুকীয়া স্থান অধিকাৰ কৰিছিল। ফলত বিদ্যাপতিৰ পদাৱলীৰ আৰ্হিত মধ্য যুগীয় বৈষ্ণৱ কবিসকলে ব্ৰজবুলি পদাৱলীৰ সৃষ্টিত অনন্য বৰঙণি যোগাবলৈ সমৰ্থ হৈছিল। বংগত একাধিক বিদ্যাপতিৰ আবিৰ্ভাৱ, স্থানভেদে বিদ্যাপতিৰ পদাৱলীৰ বিভিন্ন পাঠান্তৰ, বিদ্যাপতিৰ নামৰ ভণিতাই এইজনা কবিৰ অপৰিসীম প্ৰভাৱৰ কথাকে সূচায়। 'গীত-গোবিন্দ'ৰ কবি জয়দেৱৰ পিছত বিদ্যাপতিৰ পদাৱলীয়ে এক নবীন কাব্য ধাৰাৰ প্ৰৱৰ্তনত যোগায় অনন্য অৱদান, বিদ্যাপতি হৈ পৰে 'অভিনৱ জয়দেৱ'।

## পৰিচয়

বিদ্যাপতিৰ জন্মতিথি লৈ নানা মতভেদ আছে[১]। কিন্তু অন্তঃসাক্ষ্য আৰু বহিঃসাক্ষ্যৰ আধাৰত তেওঁৰ জন্ম ২৪১ লক্ষ্মণাব্দ (১৩৬০ খ্ৰীঃ) বুলি ঠাৱৰ কৰা হৈছে। এই সম্বন্ধে ড° উমেশ মিশ্ৰৰ যুক্তি হৈছে —"এওঁৰ পিতাক গণপতি ঠাকুৰ মহাৰাজ গণেশ্বৰসিংহৰ ৰাজ-সভাসদ আছিল আৰু ৰাজসভালৈ তেওঁৰ পুতেক বিদ্যাপতিক অনা-নিয়া কৰিছিল। মহাৰাজ গণেশ্বৰসিংহৰ মৃত্যু ২৫২ লক্ষ্মণাব্দত হৈছিল, গতিকে সেই সময়ত ৰাজসভালৈ অহা-যোৱা কৰা বিদ্যাপতি ১০-১১ বছৰীয়ামান হব। দ্বিতীয়তে, বিদ্যাপতিৰ প্ৰধান আশ্ৰয়দাতা শিৱসিংহৰ জন্ম ২৪৩ লক্ষ্মণাব্দত হয় আৰু পঞ্চাশ বছৰ বয়সত ৰাজসিংহাসনত বহে। ই প্ৰায় সৰ্বজন স্বীকৃত যে বিদ্যাপতি তেওঁতকৈ দুবছৰৰ ডাঙৰ। তৃতীয়তে, বিদ্যাপতিয়ে 'কীৰ্তিলতা'ত নিজকে 'খেলন কবি' (খেলৰ কবি) বুলি কৈছে, অৰ্থাৎ কীৰ্তিসিংহ বা বীৰসিংহৰ দৃষ্টিত তেওঁ কম বয়সতে খেল-ধেমালি কৰিব পৰা হৈছিল চাগৈ। এইবোৰ কাৰণত এনে অনুমান কৰিব পৰা যায় যে ২৫২ লক্ষ্মণাব্দত বিদ্যাপতি ১০-১১ বছৰীয়া আছিল"। (বিদ্যাপতি ঠাকুৰ)

বিদ্যাপতিৰ জন্মস্থান হৈছে বিহাৰ প্ৰদেশৰ দৰভংগা জিলাৰ উত্তৰ-পুব ৰেলৱেৰ কমতৌল ষ্টেশনৰপৰা চাৰি মাইল দূৰৈৰ বিপসী নামৰ গাঁৱত। তেওঁৰ পিতাক গণপতি ঠাকুৰ কশ্যপ গোত্ৰৰ মৈথিল ব্ৰাহ্মণ আছিল আৰু ৰজা গণেশ্বৰসিংহৰ ৰাজমন্ত্ৰী আছিল। গণপতি ঠাকুৰ আছিল সংস্কৃতৰ এজন প্ৰসিদ্ধ পণ্ডিত। বিদ্যাপতিৰ শিক্ষা পিতাক আৰু

১। বিদ্যাপতিৰ জন্মতিথি সম্বন্ধে বিভিন্ন আলোচকৰ মত — নগেন্দ্ৰনাথ গুপ্ত ১৩৫৮ খ্ৰী°, মহামহোপাধ্যায় পণ্ডিত হৰপ্ৰসাদ শাস্ত্ৰী ১৩৫৭ খ্ৰী°, ৰামকৃষ্ণ বেনীপুৰী ১৩৫০ খ্ৰী°, বাবুৰাম সাক্সেনা ১৩৫৭ - ১৩৫৯ খ্ৰী°।

পণ্ডিত হৰি মিশ্ৰৰ তত্ত্বাবধানত সম্পন্ন হৈছিল। নিচেই চালুকীয়া অৱস্থাৰ পৰাই বিদ্যাপতিয়ে কবিতা ৰচনা কৰিবলৈ লৈছিল আৰু সেইবোৰ পিতাকক দেখুৱাইছিল।

বিদ্যাপতিৰ পত্নীৰ নাম আছিল চন্দন দেৱী (চম্পতি দেৱী?)। তেওঁৰ সন্তান চাৰিজনৰ ভিতৰত পুত্ৰ তিনিজনৰ নাম হৈছে —বাচস্পতি ঠাকুৰ, হৰিপতি ঠাকুৰ আৰু নৰপতি ঠাকুৰ তথা একমাত্ৰ কন্যাৰ নাম হৈছে দুল্লহী। নৰপতি ঠাকুৰ জ্যোতিষ শাস্ত্ৰৰ এজন প্ৰসিদ্ধ পণ্ডিত আছিল আৰু সেই সম্বন্ধে 'দৈৱজ্ঞ বান্ধৱ' নামৰ এখন শাস্ত্ৰ প্ৰণয়ন কৰিছিল। তেওঁৰ চন্দ্ৰকলা নামৰ এগৰাকী বোৱাৰীয়েকে অতি উত্তম কবিতা ৰচনা কৰিছিল।

বিদ্যাপতিৰ জীৱন মিথিলাৰ ৰাজবংশৰ লগত অঙ্গাঙ্গীভাৱে জড়িত। তেওঁৰ জীৱনৰ অধিকাংশ সময় ৰাজ্যাশ্ৰয়ত অতিবাহিত হয়। মহাৰাজ গণেশ্বৰসিংহৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ বীৰসিংহ ৰজা হয় যদিও অলপ দিনৰ পিছতে যুদ্ধত মৃত্যু বৰণ কৰে। ইয়াৰ পিছত তেওঁৰ ভায়েক কীৰ্তিসিংহই ৰাজপাটত বহে। কীৰ্তিসিংহৰ লগত বিদ্যাপতিৰ ঘনিষ্ঠ সম্বন্ধ আছিল। এইজনা ৰজাই বিদ্যাপতিক ৰাজপণ্ডিতৰ গৰিমা প্ৰদান কৰে। কীৰ্তিসিংহৰ যশ-গুণ বৰ্ণনা কৰি বিদ্যাপতিয়ে 'কীৰ্তিলতা' নামৰ কাব্য ৰচনা কৰে।

কীৰ্তিসিংহৰ মৃত্যুৰ পিছত তেওঁৰ খুৰাক দেৱসিংহ মিথিলাৰ ৰজা হয়। এইজনা ৰজাইয়ো বিদ্যাপতিক ৰাজকবিৰ সন্মান প্ৰদান কৰে। দেৱসিংহৰ মৃত্যু হোৱাত তেওঁৰ বৰপুত্ৰ শিৱসিংহ ৰজা হয়। শিৱসিংহ আৰু তেওঁৰ পত্নী লখিমাদেৱী দুয়ো কলানুৰাগী আৰু সংগীতপ্ৰেমী আছিল। এই দুয়োজনৰে প্ৰতি বিদ্যাপতিৰ প্ৰবল অনুৰাগ আছিল আৰু তেওঁৰ সৰহ সংখ্যক পদাৱলী দুয়োৰে প্ৰতি উৎসৰ্গিত হৈছিল। বিদ্যাপতিৰ গুণত মুগ্ধ হৈ ৰজা শিৱসিংহই তেওঁক 'অভিনব জয়দেৱ' উপাধি প্ৰদান কৰি কবিৰ জন্মস্থান বিপসী গাঁও উপহাৰ স্বৰূপে দিছিল। এই দান সম্বন্ধে পোৱা তাম্ৰপত্ৰত এইদৰে উল্লেখ পোৱা যায়—

"স্বস্তি শ্ৰীৰাজৰথেত্যাদিসমস্ত প্ৰক্ৰিয়া বিৰাজমান —শ্ৰীমদ্ৰামেশ্বৰীবৰলব্ধ প্ৰসাদ ভৱানীভৱভক্তি ভাৱনাপৰায়ণ ৰূপ নাৰায়ণ মহাৰাজাধিৰাজ —শ্ৰীমচ্ছিৱসিংহ দেৱপাদাঃ সমৰ বিজয়িনো জৰৈল তপ্পায়াং 'বিপসী' গ্ৰাম বাস্তব্য সকল লোকান্ ভূকৰ্ষকাংশ্চ সমাদিশন্তি —জ্ঞাতমস্তু ভৱতাম্। গ্ৰামোৎয়মস্মাভিঃ সপ্ৰক্ৰিয়াভিনৱজয়দেৱ —মহাৰাজ পণ্ডিত ঠাকুৰ শ্ৰীবিদ্যাপতিভ্যঃ শাসনীকৃত্য প্ৰদত্তোৎতো গ্ৰামকস্থা যুয়মেতেষাং ৰচনকাৰী ভূকৰ্ষকাদিকৰ্ম কৰিষ্যথেতি লক্ষ্মণ সেন সম্বৎ ২৯৩ শ্ৰাৱণ সুদি ৭ গুৰৌ।" এই গাঁও সৌ সিদিনালৈকে (খ্ৰী' ১৯৫০) কবিজনাৰ পৰিয়ালৰ অধীনত আছিল।

ৰজা শিৱসিংহৰ প্ৰতি বিদ্যাপতিৰ প্ৰীতি অতি গভীৰ আছিল। এই সম্বন্ধে এক কাহিনী প্ৰচলিত আছে। মিথিলাত শিৱসিংহৰ ৰাজত্ব কালৰ সময়ত এবাৰ দিল্লীৰ চুলতান বাহলুল খাঁ লোডীয়ে ৰজাক দিল্লীলৈ মাতি নি বন্দী কৰি থয়। ফলত কবিয়ে ৰজাক

২। ড° উমেশ মিশ্ৰৰ দৰে ড° সুভদ্ৰা ঝা, ড° জয়কান্ত মিশ্ৰ, শ্ৰীশিৱনন্দন ঠাকুৰেও বিদ্যাপতিৰ জন্ম ২৪১ লক্ষ্মণাব্দ (খ্ৰী° ১৩৬৭) বুলি স্বীকাৰ কৰে।

গুম্ফিত আৰু আউল লগা —ই বাৰে বৰণীয়া ফুলৰ ফুলনি, এবিধ ফুলৰ গামলা নহয়৩।"

বিদ্যাপতি আছিল মূলতঃ এজন ৰসসিদ্ধ কবি। তেওঁ পূৰ্ববৰ্তী কাব্য সাহিত্যৰপৰা ৰসপূৰ্ণ ভাৱধাৰা গ্ৰহণ কৰি তাক জনভাষাৰ অনুকুলে নবীন ৰূপ দিছিল। ভাৰতীয় ধৰ্ম-সহিষ্ণুতাৰ আদৰ্শ তেওঁ নিজৰ কাব্যৰ মাজেৰে প্ৰতিপাদিত কৰা কাৰণে সকলো ধৰ্ম-সম্প্ৰদায়ৰ লোকক সন্তুষ্ট কৰিবলৈ সমৰ্থ হৈছিল। বৈষ্ণৱ ভক্তসকলে বিদ্যাপতিৰ ৰাধা-কৃষ্ণ বিষয়ক গীত-পদ যি উৎসাহেৰে গাইছিল বা তেওঁক এজন বৈষ্ণৱ ৰূপে স্বীকৃতি দিছিল, সেই একে আগ্ৰহ শৈৱ, শাক্ত প্ৰভৃতি সম্প্ৰদায়ৰ ক্ষেত্ৰতো দেখা যায়। এজন আদৰ্শ ভাৰতীয়ৰ দৰে বিদ্যাপতিয়ে তেওঁৰ কাব্যধাৰাৰ মাজেৰে সমন্বয়ৰ এক নবীন পথ উন্মোচন কৰি ধৰ্ম-সম্প্ৰদায়ৰ সঙ্কীৰ্ণতাক বহল মানৱতাৰ আগত বিসৰ্জন দিছিল।

## ৰচনাৱলী

বিদ্যাপতি ৰচিত প্ৰামাণিক পুথিৰ সংখ্যা হৈছে চৈধ্য[৪]। ইয়াৰ ২ খন অৱহট্টত, ১১ খন সংস্কৃতত আৰু ১ খন মৈথিলী ভাষাত ৰচিত। অৱহট্টত ৰচিত গ্ৰন্থ দুখন হ'ল –'কীৰ্তিলতা' আৰু 'কীৰ্তিপতাকা'। সংস্কৃত গ্ৰন্থ কেইখন হ'ল –ভূপৰিক্ৰমা, পুৰুষ পৰীক্ষা, লিখনাৱলী, বিভাগসাৰ, বৰ্ষকৃত্য, গয়াপত্তলক, শৈৱ সৰ্বস্বসাৰ, প্ৰমাণভূত পুৰাণসংগ্ৰহ, গঙ্গা বাক্যাৱলী, দান বাক্যাৱলী, দুৰ্গা ভক্তি তৰঙ্গিণী আৰু মৈথিলী ভাষাত ৰচিত একমাত্ৰ গ্ৰন্থ হ'ল –বিদ্যাপতিৰ পদাৱলী।

১। **ভূপৰিক্ৰমা** – মহাৰাজ দেৱসিংহৰ আজ্ঞাত ৰচিত এই গ্ৰন্থত শাপগ্ৰস্ত বলৰামে বিভিন্ন তীৰ্থাদি ভ্ৰমণ কৰাৰ কাহিনী লিপিবদ্ধ হৈছে।

২। **পুৰুষ-পৰীক্ষা** –মহাৰাজ শিৱসিংহৰ আজ্ঞাত এই গ্ৰন্থ ৰচনা কৰা হয়। ইয়াত কাম-কলাৰ বিষয়ে কৌতূহলী কিশোৰক নীতি-জ্ঞান দিবলৈ আৰু এই কলাৰ প্ৰতি ৰসিকসকলৰ মন যোগাবলৈ মহম্মদ গজনবীৰ পৰা সমকালীন যুগলৈ ঘটা ভালেমান কাহিনী-উপকাহিনী লিপিবদ্ধ হৈছে। লৰ্ড বিশপ টাৰ্নাৰৰ পৰামৰ্শ মতে ১৮৩০ খ্ৰীঃত ইয়াৰ ইংৰাজী তৰ্জমা কৰে ৰজা কালীকৃষ্ণ বাহাদুৰে। ইয়াৰ আন ভাষালৈও অনুবাদ

---

৩। ভাটী, বিদ্যাপতি পদাৱলী, পৃঃ ১৫

৪। ড° সুকুমাৰ সেনে নেপালত পোৱা বাৰ পৃষ্ঠামান তালপাতত লিখা 'গোৰক্ষ-বিজয়নাটকম্' নামৰ এখন সঙ্গীত-নাটক বিদ্যাপতিৰ বুলি উল্লেখ কৰিছে। কামিনীমোহাপাশবদ্ধ গুৰু মৎস্যেন্দ্ৰনাথক শিষ্য গোৰখনাথে উদ্ধাৰ কৰা কাহিনী ইয়াত বৰ্ণিত হৈছে। সেনে এই নাটৰ ৰীতি আৰু ভাষা সম্বন্ধে এইদৰে মন্তব্য দিছে— "ৰচনাৰ ৰীতি উমাপতিৰ পাৰিজাত হৰণেৰ মতো। অৰ্থাৎ গানগুলি ভাষায়, আৰ বাকি সব সংস্কৃত আৰ প্ৰাকৃতে। ভাষা মানে মৈথিলী-বাংলা অৰ্থাৎ ব্ৰজবুলি। মিথিলায় ভৈৰবেশ্বৰ শিবেৰ উৎসব উপলক্ষ্যে ৰাজা শিৱসিংহেৰ আদেশে বিদ্যাপতি এই সংগীত-নাটক ৰচনা কৰেছিলেন। অতএব ৰচনাকাল ১৪১৬ খ্ৰীষ্টাব্দেৰ পৰ নয়।" —বৈষ্ণৱীয় নিবন্ধ, পৃঃ ৯৫
ভাষাৰ নমুনা ঃ ভনই বিদ্যাপতি জোড়িঅ হাথ।
সঙ্গ ন লগহ মছেন্দ্ৰনাথ।।

হৈছে।

৩। **লিখনাৱলী** — ৰাজবনৌলীৰ ৰজা পুৰাদিত্যৰ আজ্ঞাত ন-শিকাৰুসকলৰ কাৰণে সংস্কৃতত চিঠি-পত্ৰ লিখাৰ কৌশল সম্বন্ধে এই গ্ৰন্থ ৰচিত হয়। সমকালীন ভালেমান প্ৰসিদ্ধ ৰজা আৰু ব্যক্তিৰ নাম সন্নিবিষ্ট হোৱা কাৰণে এই গ্ৰন্থৰ ঐতিহাসিক মূল্য বৃদ্ধি পাইছে।

৪। **শৈৱসৰ্বস্বসাৰ** —ভগৱান শিৱৰ পূজা বিধি সম্পৰ্কে বিস্তাৰিতভাৱে লিপিবদ্ধ কৰা এই গ্ৰন্থখন ৰজা পদ্মসিংহৰ পত্নী ৰাজ্ঞী বিশ্বাস দেৱীৰ নিৰ্দেশত ৰচিত হয়। ইয়াত ভৱসিংহৰ সময়ৰেপৰা বিশ্বাস দেৱীলৈকে ভালেমান ৰজাৰ কীৰ্তিগাথাও লিপিবদ্ধ হৈছে।

৫। **প্ৰমাণভূত পুৰাণ-সংগ্ৰহ** —এইখন গ্ৰন্থৰ সম্বন্ধ 'শৈৱসৰ্বস্বসাৰ'ৰ লগত দেখা যায়, কাৰণ ইয়াত উক্ত পুথিৰ বিৱৰণসমূহ শাস্ত্ৰীয় প্ৰমাণৰ আধাৰত নিৰূপিত হৈছে।

৬। **গঙ্গাবাক্যাৱলী** — ৰাজ্ঞী বিশ্বাস দেৱীৰ প্ৰেৰণাত ৰচিত এই গ্ৰন্থত হৰিদ্বাৰৰ পৰা গঙ্গাসাগৰলৈকে গঙ্গাৰ পাৰৰ তীৰ্থস্থানবোৰৰ, গংগাস্নানৰ মাহাত্ম্য আদি বৰ্ণিত হৈছে।

৭। **বিভাগসাৰ** — মহাৰাজ নৰসিংহ দেৱৰ নিদেৰ্শত ৰচিত এই গ্ৰন্থখন আইন সম্বন্ধীয় বুলি কব পৰা যায়। ইয়াত সম্পত্তিৰ বিভাজন, অপুত্ৰধনাধিকাৰ নিৰূপণ, স্ত্ৰীধন বিয়োগ নিৰূপণ ইত্যাদিৰ ওপৰত আলোকপাত কৰা হৈছে। সমকালীন মিথিলাৰ সামাজিক জীৱনৰ ৰূপৰেখা এটি এই গ্ৰন্থত পাব পাৰি।

৮। **দান বাক্যাৱলী** — মহাৰাজ নৰসিংহৰ পত্নী ৰাণী ধীৰুমতিৰ অনুৰোধত ৰচিত এই গ্ৰন্থত বছৰৰ বাৰ মাহত কেনেদৰে দান কৰিব পৰা যায় তাৰ বিধি-বিধান বিস্তাৰিত ভাৱে লিপিবদ্ধ হৈছে। ইয়াৰ উপৰি আঠ প্ৰকাৰৰ বিশেষ ৰোগৰ বৰ্ণন, বিভিন্ন প্ৰকাৰৰ কাপোৰৰ বৰ্ণনো পোৱা যায়।

৯। **গয়াপত্তলক** — গয়াত শ্ৰাদ্ধাদি কৰাৰ বিধি সম্পৰ্কে এই গ্ৰন্থ ৰচনা কৰা হয়। ইয়াত ৰচয়িতাৰ নাম —মহামহোপাধ্যায় বিদ্যাপতি বুলি পোৱা যায়। অনুমান কৰা যায় যে সেই সময়ত ধাৰ্মিক সংস্কাৰবোৰত আস্থাবান পণ্ডিত সমাজে তেওঁক মহামহোপাধ্যায়ৰ উপাধি প্ৰদান কৰে।

১০। **বৰ্ষকৃত্য** — মহাৰাজ শিৱসিংহৰ পত্নী ৰাণী লখিমাদেৱীৰ নিদেৰ্শত ৰচিত এই গ্ৰন্থত বছৰৰ বাৰ মাহে সধবা স্ত্ৰীসকলে কৰিব লগীয়া পূজা, ব্ৰত, দান ইত্যাদি কৰাৰ নিয়মাৱলী লিপিবদ্ধ হৈছে।

১১। **দুৰ্গাভক্তিতৰঙ্গিণী** — মহাৰাজ ভৈৰৱসিংহৰ আদেশত ৰচিত এই গ্ৰন্থখনি সম্ভৱতঃ বিদ্যাপতিৰ অন্তিম ৰচনা। এই ধাৰ্মিক গ্ৰন্থখনিত ভগৱতী দুৰ্গাৰ পূজা পদ্ধতি আৰু দেৱীৰ মাহাত্ম্য বৰ্ণিত হৈছে।

১২। **কীৰ্তিলতা** — সম্ভৱতঃ বিদ্যাপতিৰ এইখন প্ৰথম গ্ৰন্থ। অৱহট্টত ৰচিত এই গ্ৰন্থত কবিয়ে মহাৰাজ কীৰ্তিসিংহৰ যশ, গুণকীৰ্তন কৰিছে। এই ঐতিহাসিক চৰিত কাব্য খনিত মহাৰাজ কীৰ্তিসিংহৰ বীৰত্ব, দানশীলতা, শাসন-নিপুণতা, কলানুৰাগ ইত্যাদিৰ

বিষয়ে বৰ্ণনা কৰিছে। ড° বাবুৰাম সাক্সেনা, ড° বিমানবিৰাহী মজুমদাৰ, ড° উমেশ মিশ্ৰ প্ৰভৃতি আলোচকে এই গ্ৰন্থখনি বিদ্যাপতিয়ে ২০-২৫ বছৰ বয়সৰ ভিতৰত ৰচনা কৰে বুলি স্বীকাৰ কৰে।

১৩। **কীৰ্তিপতাকা** – অৱহট্ট ভাষাত এইখনি গ্ৰন্থ মহাৰাজ শিৱসিংহৰ সময়ত ৰচনা কৰা। ইয়াত প্ৰেম-কাহিনীৰ মাজে মাজে মহাৰাজ শিৱসিংহৰ কীৰ্তি-গাথা বৰ্ণিত হৈছে। আৰম্ভণিতে 'চন্দ্ৰচূড়'ৰ অৰ্দ্ধনাৰীশ্বৰ ৰূপ বৰ্ণনা আৰু গণেশৰ স্তুতি সংযোজিত হৈছে।

১৪। **পদাৱলী** – বাল্যকালৰপৰাই মৃত্যুৰ সময়লৈকে সময়ে সময়ে ৰচিত মৈথিলী গীতবোৰেই বিদ্যাপতিৰ পদাৱলী নামে সংগ্ৰীহিত হৈছে। এনে পদাৱলী ৰচনাৰ বাবে তেওঁ হয়তো প্ৰেৰণা লভিছিল জয়দেৱৰ 'গীতগোবিন্দ'ৰ পৰা। সেইবাবে চাগৈ লালিত্যৰ মাধুৰীমাৰে অপূৰ্ব ৰমণীয় হৈ পৰা তেওঁৰ গীতবোৰে ৰাজমহলৰপৰা জুপুৰীলৈকে সমান আদৰ লাভ কৰিবলৈ সমৰ্থ হৈছিল। ফলস্বৰূপে কোমলকান্ত পদাৱলীৰ কবি বিদ্যাপতি হৈ পৰিছিল 'মৈথিলী কোকিল' আৰু 'অভিনৱ জয়দেৱ'। মিথিলাত নিজৰ পাণ্ডিত্য বা শাস্ত্ৰজ্ঞানৰ আধাৰত বিদ্যাপতিয়ে যিমান প্ৰসিদ্ধি লাভ নকৰক কিয়, তেওঁৰ প্ৰতিভাৰ উজ্জ্বল সাক্ষৰ হৈছে পদাৱলী সাহিত্য। কবি বিদ্যাপতিৰ সূক্ষ্ম শিল্প কৰ্ম আৰু কবিত্ব তেওঁৰ গীতিমাধুৰীৰ কষটি শিলত জিলিকি উঠিছে। স্বৰূপাৰ্থত ইয়ে তেওঁৰ খ্যাতি জগত বিয়পা কৰি তুলিছে।

জনপ্ৰিয়তাৰ বাবে বিদ্যাপতিৰ গীত-পদবোৰ স্থান পাত্ৰ ভেদে পৰিৱৰ্তিত-পৰিৱৰ্দ্ধিত হৈ থাকিল। সেয়ে তেওঁৰ পদাৱলীৰ সঠিক সংখ্যা নিৰ্ণয় এক জটিল সমস্যা হৈ আছে। নগেন্দ্ৰনাথ গুপ্তই তেওঁৰ 'বিদ্যাপতি পদাবলী'ত ৯৪৫ টি পদ সংগ্ৰহ কৰিছে। খগেন্দ্ৰ নাথ মিত্ৰ আৰু বিমানবিহাৰী মজুমদাৰে নানান পৰীক্ষা-নিৰীক্ষা আৰু অনুসন্ধানৰ আধাৰত 'বিদ্যাপতিৰ পদাৱলী'ত ৯৩৩ টি পদৰ সন্নিবিষ্ট কৰিছে। অশেষ পৰিশ্ৰমেৰে সম্পাদন কৰা (পাঠান্তৰ সংযুক্ত) 'গীত বিদ্যাপতি'ত ড° মহেন্দ্ৰ নাথ দুবে ৮৯১ টি পদ সংকলন কৰিছে। বিদ্যাপতিৰ পদাৱলীৰ তিনিটি প্ৰাচীন প্ৰতিলিপি পোৱা যায় —মিথিলাত কবিৰ পৰিনাতিয়ে লিপিবদ্ধ কৰা, নেপালৰ ৰাজ-গ্ৰন্থগাৰৰ পৰা মহামহোপাধ্যায় স্বৰ্গীয় হৰপ্ৰসাদ শাস্ত্ৰীয়ে সংগ্ৰহ কৰা আৰু মৈথিলী কবি লোচনে 'ৰাজতৰঙ্গিনী'ত অন্তৰ্ভুক্ত কৰা কিছু সংখ্যক পদাৱলী। ইয়াৰ উপৰি বিদ্যাপতিৰ পদাৱলীয়ে বংগত প্ৰসাৰতা লাভ কৰাৰ পিছত 'ক্ষণদাগীত চিন্তামণি', 'পদামৃতসমুদ্ৰ', 'পদকল্পতৰু', 'সঙ্কীৰ্তনামৃত', 'কীৰ্তনানন্দ' প্ৰভৃতি সংকলনত ভালেমান পদ সংগ্ৰীহিত হৈছে। ড° গ্ৰীয়াৰ্ছনে মিথিলাৰ পৰা বিদ্যাপতিৰ ৮২ টি পদ সংগ্ৰহ কৰি ১৮৮১ খ্ৰীঃত 'An Introduction to the Maithili Language of North Bihar Containing a Grammar chrestomathy and vocabulary (Vol II)' প্ৰকাশ কৰে। গ্ৰীয়াৰ্ছনে সংগ্ৰহ কৰা পদসমূহৰ অধিকাংশ ৰাধা-কৃষ্ণ বিষয়ক।

বৰ্ণনীয় বিষয়ৰ আধাৰত বিদ্যাপতিৰ পদাৱলীক তিনি ভাগত বিভক্ত কৰিব পাৰি —ভক্তি, শৃঙ্গাৰ আৰু বিবিধ বিষয়ক। ভক্তি বিষয়ক পদৰ অন্তৰ্গত হৈছে শিৱৰ নচাৰী,

দুৰ্গা, গৌৰী, গঙ্গা প্ৰভৃতিৰ স্তুতি। শৃঙ্গাৰিক পদাৱলীৰ নায়ক-নায়িকা হৈছে শ্ৰীকৃষ্ণ আৰু ৰাধা, তেওঁলোকৰ মিলন-বিৰহ তথা ভাব-ভঙ্গীৰ নানান চিত্ৰণ এইবোৰত অংকিত হৈছে। বিবিধ বিষয়ক পদাৱলীয়ে প্ৰহেলিকা, কূট, যুদ্ধ, ইত্যাদিৰ বৰ্ণন সামৰিছে।

## বিদ্যাপতিৰ পদাৱলীৰ প্ৰভাৱ

ব্ৰজবুলি পদাৱলীৰ সৃষ্টিত বিদ্যাপতিৰ পদাৱলীৰ বৰঙণি অনন্য। মিথিলা তিৰহুতলৈ শিক্ষাৰ বাবে যোৱা প্ৰত্যাগত বিদ্যাৰ্থীসকলৰ ওঁঠত বিদ্যাপতিৰ সৰস গীত লাগি অহাৰ ফলস্বৰূপে আৰু তেওঁৰ অনন্য গীত-শৈলী অনুকৰণ কৰিবলৈ যোৱাৰ কাৰণে ব্ৰজবুলি ভাষাৰ উৎপত্তি হোৱা বুলি সৰহ সংখ্যক পণ্ডিতৰ ধাৰণা। অসম, বংগ, উৰিষ্যা আৰু নেপালত ব্ৰজবুলি কাব্যৰ প্ৰচাৰ -প্ৰসাৰ হোৱাৰ মূলতে ইয়াৰ অৱদান নুই কৰিব নোৱাৰি। সেইবাবে প্ৰাদেশিক ব্ৰজবুলিৰ অধ্যয়নত বিদ্যাপতিৰ পদাৱলীৰ প্ৰাসঙ্গিকতা অস্বীকাৰ কৰা টান হৈ পৰে।

## মিথিলা

নিজৰ ৰাজ্য মিথিলাত বিদ্যাপতিৰ জনপ্ৰিয়তা সম্বন্ধে বহুতৰে মনত শংকা থাকিলেও ই অমূলক বুলি প্ৰমাণিত হৈছে। অৱশ্যে ইংৰাজী ভাষাৰ প্ৰচাৰ-প্ৰসাৰ হোৱাৰ পিছতহে বিদ্যাপতিৰ কাব্য-প্ৰতিভাৰ মুকলি আলোচনা হোৱা দেখা যায়। ডং গ্ৰীয়াৰ্ছন, জন বীমস প্ৰভৃতি ইংৰাজ বিদ্বানে বিদ্যাপতি- আলোচনাৰ পটভূমি মুকলি কৰাৰ পিছত বিভিন্ন ভাৰতীয় পণ্ডিতে এই সম্বন্ধে সঁহাৰি জনায়।

দৰবাৰী কবি বিদ্যাপতি মহাৰাজ কীৰ্তিসিংহৰ 'খেলৰ সঙ্গী' হোৱা, মহাৰাজ শিৱসিংহ আৰু ৰাণী লখিমা দেৱীৰ কাৰণে 'অভিনৱ জয়দেৱ' হোৱা আৰু জন্মভূমি (বিপসী গাঁও) দান স্বৰূপে লাভ কৰা, সমকালীন বিদ্বানসকলৰ বাবে তেওঁ 'সুকবি', 'সৰস কবি', 'সুকবি-কণ্ঠাৰ' হোৱা; শিৱ আৰু শক্তিৰ উপাসনাত তেওঁৰ পদাৱলী স্তুতি ৰূপে ব্যৱহাৰ কৰা ইত্যাদি কাৰ্যই তেওঁৰ জনপ্ৰিয়তা আৰু সমাজত গৌৰৱপূৰ্ণ স্থানৰ কথাকে সূচায়। 'আইন-ই-আকবৰী'ত (১৫৫৮ খ্ৰীঃ) বিদ্যাপতিৰ লেচাৰী গীতৰ বিষয়ে সপ্ৰশংস টোকা সন্নিবিষ্ট হৈছে। লোচনেও তেওঁৰ 'ৰাজতৰঙ্গিনী'ত বিদ্যাপতিৰ সংগীতৰ ভূয়সী প্ৰশংসা কৰিছে।

প্ৰেম-গীতৰ সম্ৰাট স্বৰূপ বিদ্যাপতিৰ পদাৱলীয়ে এসময়ত ৰসিকসকলৰ মাজত বেছ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। তেওঁৰ অনন্য গীত-শৈলীৰ অনুকৰণ কৰিবলৈ গৈ বহুতে স্বৰচিত গীতত বিদ্যাপতিৰ ভণিতা দিছিল। আনকি কবিসকলে নিজৰ নামৰ লগত 'পতি' শব্দ যোগ দি তেওঁৰ সমতুল্য হোৱাৰ আকাংক্ষা কৰিছিল, উদাঃ উমাপতি, ৰমাপতি, নন্দিপতি, কৃষ্ণপতি, কুলপতি, শ্ৰীপতি, হৰপতি, লক্ষ্মীপতি, মহীপতি ইত্যাদি। মধ্যযুগৰ পৰা এই শতিকাৰ আদি ভাগলৈ বিদ্যাপতিৰ কাব্যৰীতিৰ অনুকৰণ কৰাৰ যি প্ৰক্ৰিয়া প্ৰাদেশিকতাৰ সীমাবদ্ধতা নেওচি প্ৰবৰ্তিত হৈ থাকিল সেয়ে বিদ্যাপতিৰ কালজয়ী প্ৰতিভাৰ কথাকে সূচায় নিশ্চয়।